Printed Pages—3

**3 (Sem–6) ASM M 4**

**2015**

# ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰটো লিখা : ১×৭=৭

(ক) 'ভদৰী' নামৰ বিখ্যাত অসমীয়া চুটিগল্পটোৰ গল্পকাৰজন কোন?

(খ) 'আৱাহন' কাকতখন কিমান চনত প্ৰকাশ পায়?

(গ) 'বীণা বৰুৱা' ছদ্মনামেৰে কোনগৰাকী সাহিত্যিকে গল্প আৰু উপন্যাস ৰচনা কৰিছিল?

(ঘ) 'অশান্ত ইলেক্ট্ৰন', 'এহাত ডাবা', 'গোলাম' আদি গল্পৰ গল্পকাৰগৰাকী কোন?

(ঙ) নগা পাহাৰৰ পটভূমিত ৰচিত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসখনৰ নাম কি?

[ P.T.O.

(চ) দ্বিতীয় মহাযুদ্ধৰ পটভূমিত লিখা যোগেশ দাসৰ উপন্যাসখনৰ নাম কি?

(ছ) 'থেং ফাথ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল' উপন্যাসখন কোনে ৰচনা কৰিছিল?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন গল্পপুথিৰ নাম লিখা।

(খ) 'চিত্ৰতুৰগ' আৰু 'এৰাবাৰীৰ লেচেৰী' গল্পপুথি দুখনৰ গল্পকাৰ কোন কোন?

(গ) ৰজনীকান্ত বৰদলৈৰ দুখন ঐতিহাসিক উপন্যাসৰ নাম লিখা।

(ঘ) জ্ঞানপীঠ বঁটা প্ৰাপক দুগৰাকী অসমীয়া সাহিত্যিকৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৩=১৫

(ক) 'ব্যৰ্থতাৰ দান' গল্পত ললিত চৰিত্ৰটোৰ যোগেদি আদৰ্শ প্ৰেমৰ স্বৰূপ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(খ) অসমীয়া লোক-সংস্কৃতিৰ চিত্ৰ 'সখা দামোদৰ' গল্পত কিদৰে পৰিস্ফুট হৈছে, বিশ্লেষণ কৰা।

(গ) "চীনা, দেখিলি? মোৰ সপোনটো হুলে বিন্ধিলে।" বক্তাজনে 'চীনা' বুলি কাক সম্বোধন কৰিছে আৰু 'সপোন' বুলি কিহৰ কথা বুজাইছে?

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসত যশোৱন্ত চৰিত্ৰটোৰ মাজেৰে অন্তৰ্দ্বন্দ্ব আৰু আদৰ্শৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঙ) ভোক আৰু দুৰ্ভিক্ষৰ চিত্ৰ 'মামৰে ধৰা তৰোৱাল' উপন্যাসত কিদৰে চিত্ৰিত হৈছে, বৰ্ণনা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) ৰামধেনু যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি সেই যুগৰ তিনিগৰাকী উল্লেখযোগ্য গল্পকাৰৰ গল্পৰ বিষয়ে লিখা।

(খ) ১৯৩৯ চনৰ পৰা ১৯৮৯ চনলৈ অসমীয়া উপন্যাসৰ গতিধাৰা সম্পৰ্কে আলোচনা কৰি এই সময়ছোৱাৰ কেইজনমান উল্লেখযোগ্য ঔপন্যাসিকৰ উপন্যাসৰ বিষয়ে আলোচনা কৰা।

(গ) 'ব্যৰ্থতাৰ দান' গল্পটোত লিলি আৰু তৰু চৰিত্ৰ দুটাৰ মাজেৰে নাৰী মনস্তত্ত্বৰ বেলেগ বেলেগ ৰূপ কিদৰে প্ৰকাশিত হৈছে, লিখা।

(ঘ) 'অবিনাশী স্বপ্ন' গল্পটোত 'নোমাল হাত'ৰ প্ৰসঙ্গই কিদৰে দিবাকৰৰ জীৱনলৈ নামি অহা দুৰ্যোগৰ ইঙ্গিত দিছে, গল্পটোৰ কাহিনীৰ আধাৰত বিশ্লেষণ কৰা।

(ঙ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসত সমাজৰ নিম্নশ্ৰেণীৰ জীৱনচিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(চ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত বৰ্ণিত ধৰ্মঘট কি কি কাৰণত বিফল হ'ল, বিশ্লেষণ কৰা।

☆ ☆ ☆